# 2021

( Held in 2022 )

ASSAMESE

Paper : ASM–HE–5026

( অসমীয়া ৰমণ্যাসবাদী কবিতা )

( Honours Elective )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) 'ৰমণ্যাসবাদ' নামৰ গ্ৰন্থখনিৰ লেখকগৰাকীৰ নাম কি?

(খ) অসমীয়া সাহিত্যত ৰমণ্যাসবাদৰ যুগ কেতিয়াৰ পৰা আৰম্ভ হৈছিল?

(গ) 'কবিতা হয় যদি হওঁক, নহয় যদি নহওঁক' বুলি কবিতা ৰচনা কৰা কবিগৰাকী কোন?

(ঘ) মফিজুদ্দিন আহমদ হাজৰিকাৰ 'আত্মন' নামৰ কবিতাটি কবিৰ কোনখন কবিতাপুথিৰ অন্তৰ্গত?

(ঙ) "কল্পনা প্ৰৱণতাৰ অসামান্য বিকাশেই ৰমণ্যাসবাদ। (Romanticism is the extraordinary development of imaginative sensibility.)" কথাষাৰ কোনে কৈছে?

(চ) 'প্ৰিয়তমাৰ চিঠি' নামৰ কবিতাটি কোন পাশ্চাত্য কবিৰ চনেটৰ আৰ্হিত ৰচনা কৰিছিল ?

(ছ) সাহিত্য অকাডেমী পুৰস্কাৰপ্ৰাপ্ত প্ৰথম অসমীয়া সাহিত্যিকগৰাকীৰ নাম কি ?

(জ) অম্বিকাগিৰি ৰায়চৌধুৰীয়ে ৰচনা কৰা প্ৰথম কবিতা-পুথিখনৰ নাম কি ?

(ঝ) ৰঘুনাথ চৌধাৰীৰ 'কেতেকী' কবিতাটি কেইটা তৰংগত বিভক্ত ?

(ঞ) শৈলধৰ ৰাজখোৱাৰ একমাত্ৰ কবিতাপুথিখনৰ নাম কি ?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) ''জোনাকীৰ পূৰ্বেই পাশ্চাত্য ইংৰাজী কাব্য কবিতাৰ প্ৰভাৱে অসমীয়া দুই এজন শিক্ষিত কবিক অনুপ্ৰাণিত কৰিছিল।'' সেইসকলৰ ভিতৰৰ দুজনৰ নাম লিখা।

(খ) কোনগৰাকী কবিৰ, কোনটো কবিতাৰ যোগেদি অসমীয়া সাহিত্যলৈ ৰমণ্যাসিক কবিতাৰ আগমন ঘটে ?

(গ) ৰোমাণ্টিক কবিতাৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(ঘ) 'শাপমুক্তা' কবিতাত শাপভ্ৰষ্টা উৰ্বশীক কবিয়ে কি কি সম্বোধনেৰে উঠিবলৈ কৈছে ?

(ঙ) ৰত্নকান্ত বৰকাকতিৰ কবিতাত প্ৰভাৱ পৰা এগৰাকী বিদেশী আৰু এগৰাকী স্বদেশী কবিৰ নাম লিখা।

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) ৰমণ্যাস ভাবাদৰ্শৰ লগত সুৰ মিলাবলৈ অসমীয়া কবিসকলে কি কি অনুকূল পৰিৱেশ পাইছিল ? আলোচনা কৰা।





(খ) ''কোনে কয় সিটি হৰিণা পোৱালি
ইমান চেতনা নাই;
বনৰ সৌন্দৰ্য্যই ৰূপ ধৰি আহি
দেও দি দুবৰি খায়।''

উক্ত কবিতাফাঁকিৰ মাজেৰে ৰমণ্যাসবাদী কবিতাৰ কি কি লক্ষণ প্ৰকাশ পাইছে, আলোচনা কৰা।

(গ) চনেট কবিতা কাক বোলে ? 'প্ৰিয়তমাৰ চিঠি' কবিতাৰ আধাৰত চনেট কবিতাৰ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰা। ১+৪=৫

(ঘ) ''শেৱালিৰ কবি ৰূপে খ্যাতি লাভ কৰা ৰত্নকান্ত বৰকাকতি মুখ্যতঃ প্ৰেমৰ কবি।'' কথাষাৰ 'বিশ্বহৰণ' কবিতাৰ আধাৰত বিচাৰ কৰা।

(ঙ) 'বিশ্বশিল্পী' কবিতাৰ মাজেৰে প্ৰকৃত শিল্পীৰ স্বৰূপ কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

(চ) 'আত্মন' কবিতাৰ বিষয় আৰু মূলভাব লিখা।

৪। (ক) ৰমণ্যাসবাদ বুলিলে কি বুজা ? ৰমণ্যাসবাদৰ লক্ষণসমূহ কি কি ? অসমীয়া ৰমণ্যাসবাদী কবিতাৰ ক্ৰমবিকাশৰ ইতিহাস সম্পৰ্কে আলোচনা কৰা। ২+৩+৫=১০

*অথবা*

(খ) অসমীয়া ৰমণ্যাসবাদী কবিতাৰ লক্ষণবোৰ বা বৈশিষ্ট্যবোৰ বিচাৰ কৰি চন্দ্ৰকুমাৰ আগৰৱালাৰ 'নিয়ৰ' কবিতাটোত কোনবোৰ লক্ষণ ফুটি উঠিছে, বিশ্লেষণ কৰা। ১০

৫। (ক) ''তেওঁৰ কবিতাৰ মাজত প্ৰকাশ পোৱা প্ৰকৃতি সাধাৰণ হৈও অসাধাৰণ। আমাৰ চাৰিওফালৰ চিনাকি প্ৰকৃতিৰ তেওঁ কল্পনা আৰু অনুভৱেৰে এক বিচিত্ৰ মায়াময় ছবি আঁকিছে।'' ৰঘুনাথ চৌধাৰীৰ 'কেতেকী' (প্ৰথম তৰংগ) কবিতাৰ আধাৰত উক্ত কথাষাৰৰ সত্যাসত্য বিচাৰ কৰা। ১০

অথবা

(খ) ''যতীন্দ্রনাথ দুৱৰাৰ 'সোণোৱালী দেশ' নামৰ কবিতাত ৰমণ্যাসবাদী কবিতাৰ প্ৰেম, সৌন্দৰ্য, আশা-নিৰাশাৰ প্ৰতিফলন কিদৰে ঘটিছে, আলোচনা কৰি দুৱৰাৰ 'সোণোৱালী দেশ'ৰ স্বৰূপ সম্বন্ধে তোমাৰ ধাৰণা ব্যক্ত কৰা। ৭+৩=১০

৬। (ক) ৰহস্যবাদ বা অতীন্দ্ৰীয়বাদ বুলিলে কি বুজা? ইয়াৰ লক্ষণ 'পৰশমণি' কবিতাৰ মাজেৰে কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা। ২+৮=১০

অথবা

(খ) ''ৰাজখোৱাৰ নিমজ ৰচনাৰীতি, সাৱলীল ছন্দগতি, কল্পনাপ্ৰৱণ ৰোমাণ্টিক দৃষ্টিভংগীৰ অভিব্যক্তি কবিতাসমূহত লক্ষ্য কৰা যায়।'' উক্ত কথাৰ ভিত্তিত শৈলধৰ ৰাজখোৱাৰ 'বিদায়পৰত' কবিতাৰ এক আলোচনা আগবঢ়োৱা। ১০

৭। (ক) 'হে জননী ভাৰতবৰ্ষ' কবিতাত ভাৰতীয় ঐক্য-সংহতি আৰু ৰমণ্যাসিক আশাবাদৰ ছবি কেনেদৰে ফুটি উঠিছে, আলোচনা কৰা। ১০

অথবা

(খ) ৰমণ্যাসিক ভাবাদৰ্শৰ আধাৰত 'শাপমুক্তা' আৰু 'লালকিল্লা' কবিতা দুটাৰ সাদৃশ্য বিচাৰ কৰা। ১০

★★★